# COLLEGE OF EDUCATION,NAGAON

# REPORT

## TITLE: A CASE STUDY ON SELF IDENTITY OF STUDENT OF DEFERENT LOCALITIES

**PAPER: 15**

Principal
College of Education
Nagaon (Assam)


SUBMITTED BY:

NAME:JYOTISMITA BHUYAN

ROLL NO: 38

B.Ed. 2ND YEAR

SESSION: 2021-2022

SUBMITTED TO:

NAME: JAHNAVI DAS

LECTURER,

COLLEGE OF EDUCATION, NAGAON

# সূচীপত্ৰ


- আৰম্ভণি
- অধ্যয়নৰ তাৎপৰ্য
- সমস্যাৰ বিবৃতি
- অধ্যয়নৰ উদ্দেশ্য
- অধ্যয়নৰ পদ্ধতি
- তথ্য সংগ্ৰহৰ বাবে সঁজুলিসমূহ
- তথ্যৰ বিশ্লেষণ
- ফলাফল
- আচৰনগত সমস্যাসমূহ নিৰাময়ৰ বাবে পৰামৰ্শ
- সামৰণি
- পৰিশিষ্ট
- সহায়ক গ্ৰন্থৰাজী


CamScanner

## আৰম্ভণি

Self Identity অৰ্থাৎ আত্ম-পৰিচয় হৈছে ব্যক্তি এজনে নিজকে চিনাক্ত কৰাৰ এক উপায়। আত্ম পৰিচয়ত সমাজৰ ভূমিকা, সামাজিক আৰু আত্ম পৰিচয়ৰ মাজৰ পাৰ্থক্য, সামাজিক পৰিচয় তত্ত্ব, আত্মসন্মান আৰু আত্মনিৰীক্ষণৰ সংজ্ঞা, আৰু গোটেই জীৱন আত্মপৰিচয়ৰ পৰিবৰ্তনশীল ভূমিকাসহ আত্ম পৰিচয়ৰ তত্ত্ব আৰু সংজ্ঞা পৰীক্ষা কৰা হয়।

তাত্বিকভাৱে, আত্ম-পৰিচয়ৰ ধাৰণাটোৰ গুৰুত্ব পৰিচয় তত্বৰ পৰা আহৰণ কৰা হৈছে, যি আত্মক এক স্বায়ত্তশাসিত মানসিক সত্তা হিচাপে নহয় বৰং এক বহুমুখী সামাজিক নিৰ্মাণ হিচাপে চায়। যিটো সমাজত মানুহৰ ভূমিকা আৰু তেওঁলোকে কৰা আচৰণৰ পৰা উদ্ভৱ হয়। সামাজিক আদান-প্ৰদানৰ জৰিয়তে পৰিচয়বোৰে প্ৰকৃততে আত্ম-অৰ্থ প্ৰাপ্ত কৰে আৰু মানুহে জানিব পাৰে যে তেওঁলোক প্ৰকৃততে কোন।

Self Identity অৰ্থাৎ আত্ম-পৰিচয় হৈছে আমি নিজকে কেনেদৰে চিনাক্ত আৰু সংজ্ঞায়িত কৰোঁ। নিৰ্দিষ্ট আৰু নিৰ্বাচিত বৈশিষ্ট্য, গুণাগুণ, সামৰ্থ্য আৰু বিশেষত্বৰ বিষয়ে আমাৰ ধাৰণাই আমাক প্ৰতিনিধিত্ব কৰে। এজন ব্যক্তি হিচাপে, আমাৰ বহুতো শাৰীৰিক গুণাগুণ, আভ্যন্তৰীণ বৈশিষ্ট্য, সামাজিক ভূমিকা, আৰু বাহ্যিক সংযোগ আছে যি আমাৰ ব্যক্তিগত পৰিচয় গঠন কৰে। আমাৰ আত্ম-পৰিচয় হৈছে আমাৰ ব্যক্তিগত পৰিচয়ৰ পৰা ব্যক্তিত্বৰ বিশেষত্ব, সামৰ্থ্য, শাৰীৰিক গুণাগুণ, আগ্ৰহ, ৰুচি, আৰু/বা সামাজিক ভূমিকাৰ এক সংমিশ্ৰণ যাৰ যোগেদি আমি বিশেষভাৱে নিজকে চিনাক্ত কৰিবলৈ বাছনি কৰিব পাৰো। আমাৰ ব্যক্তিগত পৰিচয় হৈছে আমাৰ সকলো ব্যক্তিত্বৰ বৈশিষ্ট্য, বিশ্বাস, মূল্যবোধ, শাৰীৰিক গুণাগুণ, সামৰ্থ্য, আকাংক্ষা, আৰু অন্যান্য চিনাক্তকৰ্তাৰ এক মিশ্ৰণ যি আমাক আমি কোন তাৰ পৰিচয় প্ৰদান কৰে। ই আমাৰ আত্ম-পৰিচয়তকৈ ডাঙৰ আৰু অধিক পৰিবেষ্টিত।আমাৰ আত্ম পৰিচয় আমাৰ ব্যক্তিগত পৰিচয়ৰ এক দৃষ্টিভংগী। সহজ ভাষাত ক'বলৈ গ'লে, ব্যক্তিগত পৰিচয় হৈছে আমি কোন, আনহাতে আত্ম-পৰিচয় হৈছে আমি নিজকে দেখা বা সংজ্ঞায়িত কৰা, বহুলোকে সামাজিক প্ৰেক্ষাপট বা সামাজিক ভূমিকাৰ সন্দৰ্ভত তেওঁলোকৰ আত্ম পৰিচয় আধাৰিত কৰে (যেনে জীৱিকা, প্ৰশিক্ষক, নেতা, বাস্কেটবল খেলুৱৈ, পিতৃ, মাতৃ ইত্যাদি)। যদিও মনৰ বাবে সহানুভূতিৰ দৰে ব্যক্তিগত বৈশিষ্টতকৈ চিকিৎসকৰ দৰে সামাজিক ভূমিকা চিনাক্ত কৰা বা চিত্ৰিত কৰা সহজ, আমি আমাৰ পৰিচয় গঠন কৰোঁতে যিমান পাৰি সিমান দিশ অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা কৰিব বিচাৰো। দুৰ্ভাগ্যবশতঃ, কিছুমান লোকে এক সংকীৰ্ণ দৃষ্টিভংগতভাৱে তেওঁলোকৰ আত্ম-পৰিচয় সৃষ্টি কৰে।

শিশুৱে আত্ম-পৰিচয় বিকশিত কৰে, যাক তেওঁলোকে নিজকে বিশ্বাস কৰে, আৰু খেল আৰু সহকৰ্মী সম্পৰ্কৰ জৰিয়তে সম্পৰ্ক গঢ়ি বলৈ আৰম্ভ কৰে যি তেওঁলোকৰ আৱেগিক, সামাজিক বিকাশত আৰু অৰিহণা যোগায়।

শিশুৰ পৰিচয় বিশেষকৈ সুন্দৰ। শিশু ডাঙৰ হোৱা আৰু শিকাৰ লগে লগে তেওঁলোকে কি কৰিব পাৰে বুলি অনুভৱ কৰে।আত্ম পৰিচয় হৈছে নিজৰ বিষয়ে থকা বিশ্বাসৰ এক সংগ্ৰহ। ই শিশুৰ সুৰক্ষা আৰু

আত্মমূল্যৰ অনুভূতিৰ সৈতে জড়িত থকা সামাজিক আৰু আৱেগিক বিকাশৰ এক মুখ্য ভেঁটি।মন কৰিবলগীয়া যে পৰিচয় তত্বই বিভিন্ন সামাজিক গুণাগুণ, যেনে লিংগ, জাতি বা জাতিৰ বিস্তৃত পৰিসৰৰ সলনি সমাজত মানুহে দখল কৰা স্ব-নির্ধাৰিত ভূমিকাৰ ওপৰত গুৰুত্ব দিয়ে। সেয়েহে, সামাজিক মনোবিজ্ঞানৰ ভিতৰত,বৰ্তমান সময়ত গৱেষকসকলে মনোভাৱ আৰু কাৰ্যৰ মাজৰ সম্পৰ্কৰ বিষয়ে বুজাবুজি আৰু ভৱিষ্যতবাণী উন্নত কৰিবলৈ আত্ম-পৰিচয় ব্যৱহাৰ কৰা পৰিলক্ষিত হয় ।

## অধ্যয়নৰ তাৎপৰ্য

Self Identity অৰ্থাৎ আত্ম-পৰিচয় হৈছে আমি নিজকে কেনেদৰে চিনাক্ত আৰু সংজ্ঞায়িত কৰো। আমাৰ আত্ম-পৰিচয় হৈছে আমাৰ ব্যক্তিগত পৰিচয়ৰ পৰা ব্যক্তিত্বৰ বিশেষত্ব, সামৰ্থ্য, শাৰীৰিক গুণাগুণ, আগ্ৰহ, ৰুচি, আৰু সামাজিক ভূমিকাৰ এক সংমিশ্ৰণ যাক আমি নিজকে চিনাক্ত কৰিবলৈ বিশেষভাৱে বাছনি কৰিব পাৰো। আত্ম-পৰিচয়(Self Identity) বজাই ৰখাটো গুৰুত্বপূৰ্ণ কিয়নো - প্ৰথমতে, ই আমাৰ চৰিত্ৰ শক্তিশালী কৰে। অৰ্থাৎ, যেতিয়া আমি জানো যে আমি কোন, আমাৰ নিজৰ ওপৰত আস্থা ৰাখক আৰু আমাৰ শক্তি চিনাক্ত কৰিবলৈ সক্ষম হওঁ, আমি শক্তিশালী ব্যক্তি হিচাপে ওলাই আহো। দ্বিতীয়তে, ই আমাক অনন্য কৰি ৰাখে আৰু আমাক আন সকলোৰে পৰা পৃথক কৰে।

শিশু এটি একেবাৰে চালুকীয়া অৱস্থাৰ পৰা কৈশোৰত উপনীত হোৱালৈ তাৰ দেহ মানসিক, বৌদ্ধিক, নৈতিক, আধ্যাত্মিক আৰু জৈৱিক ক্ষমতা সমূহৰ বিজ্ঞান সন্মত বিকাশৰ মাজেৰে তাৰ বিকাশ প্ৰক্ৰিয়াক উন্নত ভাৱে আগুৱাই নি ব্যক্তিত্বৰ উত্তৰণ ঘটোৱাৰ বাবে শিশুটিৰ বিভিন্ন আচৰণত প্ৰভাৱ পেলোৱা প্ৰতিটো উপাদানৰে বিস্তাৰিত জ্ঞান আৰু বিশ্লেষণৰ প্ৰয়োজন অতি গুৰুত্বপূৰ্ণ। সমসাময়িক জীৱন প্ৰক্ৰিয়াৰ বিভিন্ন ৰীতি-নীতি, আৰ্থ সামাজিক ধ্যান-ধাৰণা, সাংস্কৃতিক ৰীতি পৰম্পৰা, প্ৰাকৃতিক পৰিবেশ আদি অন্যান্য দিশ বোৰেও শিশুৰ আচৰণত গতিশীল প্ৰভাৱ পেলোৱাৰ লগতে আত্ম পৰিচয় অৰ্থাৎ self Identity গঠন কৰে।

Case study অৰ্থাৎ ঘটনা অধ্যয়ন হৈছে এজন শিশু বা শিক্ষাৰ্থীৰ অনুসন্ধানমূলক আৰু বিৱৰণ অধ্যয়ন। ই এজন শিক্ষকক শিক্ষাৰ্থীৰ বিষয়ে প্ৰতিটো বিতং তথ্য প্ৰাপ্ত কৰাত সহায় কৰে- ব্যক্তিগত, পাৰিবাৰিক, সামাজিক, শৈক্ষিক, অৰ্থনৈতিক ইত্যাদি।ই হৈছে এক অনুসন্ধানমূলক কাম যিটো প্ৰতিজন শিক্ষক প্ৰশিক্ষাৰ্থীয়ে বিদ্যালয়ত শিক্ষকতাৰ অনুশীলনৰ সময়ত কৰিব লাগিব। এয়া হৈছে শিক্ষাৰ্থীৰ সবলতা বা দুৰ্বলতা আৰু সমস্যাবোৰৰ সমাধান বিচাৰি উলিওৱাৰ বাবে এজন শিক্ষাৰ্থীৰ তেওঁৰ বিভিন্ন দিশৰ বিষয়ে কৰা এক অনুসন্ধানমূলক অধ্যয়ন।

কোৱা হয়, "এজন ভাল শিক্ষকে শিক্ষাৰ্থীসকলৰ প্ৰতিটো পৃষ্ঠা পঢ়িব লাগিব"। এজন শিক্ষকৰ মুখ্য কাম হৈছে শিক্ষাৰ্থীসকলক শিকোৱা আৰু তেওঁলোকক নতুন বস্তুৰ সৈতে পৰিচয় কৰোৱা। কিন্তু শিক্ষকজনে সদায় তেওঁৰ লক্ষ্য প্ৰাপ্ত কৰাত সফল হ'ব নোৱাৰে কিয়নো কেতিয়াবা শিক্ষাৰ্থীসকলে শিক্ষকে কি শিকায় সেইয়া শিকিবলৈ ব্যৰ্থ হয়। শিক্ষকজনে সাধাৰণতে ভাবে যে - শিক্ষাৰ্থীসকলে অধ্যয়নৰ প্ৰতি গুৰুত্ব নিদিয়াৰ বাবে

CamScanner

কেতিয়াবা বিফল হয়। কিন্তু এইটো বিফলতাৰ একমাত্ৰ কাৰণ নহয়। বিফলতাৰ বিভিন্ন কাৰণ থাকিব পাৰে- কিছুমান শাৰীৰিক, মানসিক, অৰ্থনৈতিক, শৈক্ষিক আৰু পাৰিপাৰ্শ্বিক সমস্যা থাকিব পাৰে যি অধ্যয়নত বাধা সৃষ্টি কৰে। যদি এজন শিক্ষকে এজন শিক্ষাৰ্থীৰ এই সকলোবোৰ কাৰক অৱহেলা কৰে আৰু কেৱল শিক্ষাদানত তেওঁৰ কাম সীমাবদ্ধ ৰাখে, তেন্তে তেওঁৰ উদ্দেশ্য কেতিয়াও প্ৰাপ্ত নহ'ব। সেয়েহে এজন শিক্ষকে তেওঁৰ অধ্যয়নত প্ৰভাৱিত কৰা শিক্ষাৰ্থীসকলৰ সকলো প্ৰাসঙ্গিক বিষয় অধ্যয়ন কৰিব লাগিব যাতে তেওঁ মানসিক আৰু ৰোগ নিৰ্ণয়ৰ চিকিৎসা কৰিব পাৰে। ঘটনা অধ্যয়নে(case study) শিক্ষাৰ্থীজনৰ মানসিক আৰু অন্যান্য কাৰকবোৰ বিচাৰি উলিওৱাত সহায় কৰে যিবোৰে তেওঁৰ অধ্যয়ন আৰু অন্যান্য কাৰ্যকলাপত সহায়কাৰী বা বাধা হৈ আছে। ইয়াৰ দ্বাৰা এজন ব্যক্তিয়ে ব্যক্তি এজনক অতি-সাধাৰণ বা নিস্তেজ কৰি তোলাত অৰিহণা যোগোৱা কাৰকবোৰ বিচাৰি পাব পাৰে। ই শিক্ষাৰ্থীসকলৰ সমস্যাৰ সমাধান আৰু শিক্ষকক মানসিক পৰিপুষ্টি প্ৰদান কৰাত সহায় কৰে।

এজন শিশুৰ স্বাভাৱিক বিকাশ প্ৰক্ৰিয়াক সুস্থ ভাবে আগবঢ়াই নিয়াৰ বাবে, তাৰ ব্যক্তিত্বৰ সুস্থ বিকাশৰ বাবে বা সুস্থ প্ৰতিপালনৰ বাবে শিশুৰ আচৰণৰ ভিন্নতা, বৈশিষ্ট্য, সমস্যা সমূহ উপলব্ধি কৰি প্ৰতিজন শিশুকে উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ প্ৰয়াসেই হ'ল আমাৰ ঘটনা অধ্যয়নৰ বিষয় - "শৈশৱ কালত দেখাপোৱা আচৰণগত সমস্যা" ৰ মূল তাৎপৰ্য।

## সমস্যাৰ বিবৃতি

মানুহে কোনো পৰিচয় লৈ জন্ম গ্ৰহণ নকৰে । বৰঞ্চ পৰিচয় এনেকুৱা এটা বস্তু যি চিৰকালৰ বাবে বিকশিত হয় সৰু লৰা ছোৱালী ৰ এটি সৰলপৰিচয় থাকে আৰু বস্তু বোৰ অতি সৰল, সাধাৰণতে স্ব-সেৱা দৃষ্টিৰে চাই । মানুহ ডাঙৰ আৰু জ্ঞানী হোৱাৰ লগে লগে , তেওঁ লোকে নিজকে আনলোকৰ  সৈতে পৰিচয় কৰায়, স্থান আৰু বস্তু বোৰ ক্ৰমান্বয়ে অত্যাধুনিক উপায়েৰে চিনাক্ত কৰে আৰু এই প্ৰাৰম্ভিক স্বাৰ্থপৰতাৰ পৰা বিকাশ হ'বলৈ আৰম্ভ কৰে । শিশুৰ আত্মপৰিচয়ৰ পাৰ্থক্য জানিবলৈ বিষয়টো বাছনি কৰা হৈছে , য'ত আমি শিশুসকলৰ আত্ম পৰিচয় চাবলৈ বিভিন্ন অৰ্থনৈতিক পৃষ্ঠভূমি তিনিটা ক্ষেত্ৰৰ নমুনা লৈছো । শিশুসকলৰ আত্ম পৰিচয় তেওঁলোকৰ পিতৃ মাতৃ ৰ ওপৰত নিৰ্ভৰ কৰে, তেওলোকে লাভ কৰা সুবিধাসমূহ এক বিনামূলীয়া আৰু স্বাস্থ্যকৰ  পৰিৱেশ ৰ জৰিয়তে যাতে তেওঁলোকে তেওঁলোকৰ মাজত থকা পৰিচয় টো উপলব্ধি কৰিব পাৰি । বিভিন্ন অৰ্থনৈতিক পৃষ্ঠভূমি চহৰ অঞ্চলত বাস কৰা শিশুৰ তুলনাত গ্ৰাম্য অঞ্চলত বাস কৰা শিশুৰ আত্মপৰিচয় কম হোৱা দেখা যায় ।

বিভিন্ন অঞ্চলৰ বিভিন্ন অৰ্থনৈতিক পৃষ্ঠভূমি শিশুসকলৰ সামৰ্থ্য,  আগ্ৰহ , আচৰণ, অনুভূতি, দৃষ্টিভংগী অৰ্থাৎ বিভিন্ন শিশুৰ ব্যক্তিগত পাৰ্থক্য বুজাত এই অধ্যয়নে আমাক সহায় কৰিব । মনোদৈহিক তথা আৰ্থসামাজিক আৰু সাংস্কৃতিক পৰিবেশ আৰু উপাদানৰ ভিন্ন প্ৰভাৱে কিছুমান শিশুৰ আচৰন অস্বাভাৱিক আৰু সমস্যাবহুল কৰি তোলে । ফলস্বৰূপে এনেবোৰ শিশুৰ বিকাশ প্ৰক্ৰিয়া, প্ৰতিপালন প্ৰক্ৰিয়া অথবা শিক্ষা প্ৰক্ৰিয়া লগত জড়িত প্ৰতিজন ব্যক্তিয়ে বিভিন্ন সমস্যা  মুখামুখি হব লগা হয় । সেয়েহে আমি অধ্যয়নৰ বিষয়

CamScanner

হিচাপে শিশু সকলে শৈশৱ কালত সন্মুখীন হোৱা আত্মপৰিচয় আৰু আচৰণগত সমস্যা বিষয়টো নিৰ্বাচন কৰি লৈছোঁ।

## অধ্যয়নৰ উদ্দেশ্য

বিভিন্ন অঞ্চলৰ ভিন্ন অৰ্থনৈতিক পৃষ্ঠভূমিৰ শিশুৰ আত্ম পৰিচয় বিষয়ে অধ্যয়ন কৰা।

বিভিন্ন আৰ্থ-সামাজিক পৃষ্ঠভূমি শিশুৰ আত্মপৰিচয়ৰ স্তৰসমূহ তুলনা কৰা।

আত্ম পৰিচয় আৰু সামাজিক -সাংস্কৃতিক কাৰ্যকলাপ ৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।

শিশুক প্ৰভাৱিত কৰা বিভিন্ন প্ৰকাৰৰ ককাৰসমূহ অধ্যয়ন কৰা আৰু শিশুৰ আচৰণগত দিশ সমূহৰ বিকাশ কেনেদৰে কৰিব পাৰি তাৰ বিষয়ে অধ্যয়ন কৰা।

শিশুৰ লক্ষ্য আৰু শিশুৰ ভৱিষ্যত ভালদৰে পৰীক্ষণ কৰা।

শিশুসকলঅক সামাজিক পৰিবেশৰ লগত সমাযোজন কৰি তোলা।

## অধ্যয়নৰ পদ্ধতি

গৱেষণা পদ্ধতি হৈছে সমস্যা এটা সমাধান কৰাৰ এক প্ৰণালীবদ্ধ উপায়। গবেষণা কেনেদৰে কৰিব লাগে তাক অধ্যয়ন কৰাৰ ই এটা বিজ্ঞানসন্মত উপায়। মূলতঃ গৱেষক সকলে তেঁওলোকৰ বৰ্ণনা, বৰ্ণনা কৰা পৰিঘটনাবোৰ কাম কৰা প্ৰক্ৰিয়াবোৰক গৱেষণা পদ্ধতি বুলি কোৱা হয়। ঘটনা অধ্যয়নত অনুসৰণ কৰা পদ্ধতিটো তলত উল্লেখ কৰা হল –

বিভিন্ন অঞ্চলৰ বিভিন্ন পৃষ্ঠভূমিত বাস কৰা শিশুসকলৰ আত্মপৰিচয় অধ্যয়ন কৰিবলৈ সাক্ষাৎকাৰমূলক গবেষণা পদ্ধতি ব্যৱহাৰ কৰা হৈছে। এই ঘটনা পদ্ধতিতো ব্যৱহাৰ কৰিয়েই আমি কেইজনমান শিশুৰ জৰিয়তে তেওঁ লোকৰ আত্ম পৰিচয় আৰু আচৰণৰ সমস্যাৰ কাৰণসমূহনো কি তাক অনুসন্ধান কৰিবলৈ চেষ্টা কৰিম। এই অধ্যয়নৰ বাবে আমি আমাৰ ওচৰৰ ভিনিজন শিশুক বাছি উলিয়াইছো।

## তথ্য সংগ্ৰহৰ বাবে সঁজুলিসমূহ

আমি ব্যৱহাৰ কৰা মুখ্য সঁজুলিটো হৈছে প্ৰশ্নাৱলী, যিয়ে আমাক শিশু বা শিক্ষাৰ্থীসকলৰ ওপৰত বিভিন্ন প্ৰশ্ন কৰি প্ৰয়োজনীয় পৰিমাণৰ তথ্য সংগ্ৰহ কৰাত সহায় কৰে।

## তথ্যৰ বিশ্লেষণ :

**সাধাৰণ তথ্য : ১**

CamScanner

অংশগ্ৰহণকাৰীৰ নাম- ৰিম্পী শইকীয়া

পিতৃৰ নাম – মহীধৰ শইকীয়া

মাতৃৰ নাম – ৰঞ্জু শইকীয়া

পিতৃৰ জীৱিকা- ইঞ্জিনীয়াৰ

মাতৃৰ জীৱিকা - শিক্ষয়ত্ৰী

পিতৃৰ শৈক্ষিক অৰ্হতা – এম. টেক

মাতৃৰ শৈক্ষিক অৰ্হতা- এম. এ

প্ৰশ্ন-১) তুমি কোন?

উত্তৰ- মোৰ নাম ৰিম্পী শইকীয়া।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে তাইৰ নিজৰ প্ৰতি সঠিক ধাৰণা আছে কিয়নো তাই নামটো সুন্দৰকৈ কব পৰিছে।

প্ৰশ্ন-২)তোমাৰ বিদ্যালয়ৰ নাম কি?

উত্তৰ – খ্ৰীষ্টজ্যোতি হাইস্কুল।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে ছোৱালীজনীয়ে নিজৰ বিদ্যালয়ৰ প্ৰতি সঠিক ধাৰণা আছে।

প্ৰশ্ন -৩)তোমাৰ প্ৰিয় বিষয় কি?

উত্তৰ – বিজ্ঞান।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে ছোৱালীজনী উদ্ভাৱনীমূলক মনোভাৱৰ অধিকাৰী।

প্ৰশ্ন -৪)তুমি ভৱিষ্যতে কি হব বিচৰা?

উত্তৰ- ইঞ্জিনীয়াৰ।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে ছোৱালীজনী উচ্চকাংক্ষী আৰু তাই নিজৰ লক্ষ্যত স্থিৰ হয়।

প্ৰশ্ন-৫)তুমি বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীৰ লগত কথা পাতিবলৈ ভয় কৰা নেকি?

উত্তৰ- নাই মোৰ বৰ ভয় লাগে।

CamScanner

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে ছোৱালীজনী অলপ লাজকুৰীয়া আৰু তাইৰ আত্মবিশ্বাসৰ অভাৱ ।

প্ৰশ্ন-৬)তোমাৰ প্ৰিয় খাদ্য কি?

উত্তৰ- চাও-চাও আৰু বাৰ্গাৰ ।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে এই বয়সৰ আন লৰা-ছোৱালীৰ দৰে তাইও ফাষ্ট ফুডৰ প্ৰতি আগহী ।

প্ৰশ্ন-৭)তোমাৰ প্ৰিয় ৰং কি?

উত্তৰ- গুলপীয়া ।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা ছোৱালীজনীৰ নাৰীসূলভ বৈশিষ্ট্য প্ৰকাশ পাইছে কিয়নো সাধাৰণতে প্ৰায়বোৰ ছোৱালীৰ প্ৰিয় ৰং গুলপীয়া ।

প্ৰশ্ন-৮)তুমি সামাজিক অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰি ভাল পোৱা নে?

উত্তৰ- নাপাওঁ ।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে ছোৱালীজনী সামাজিকভাৱে সক্ৰিয় নহয় আৰু তাই অন্তৰ্মুখী ব্যক্তিত্বৰ অধিকাৰী ।

প্ৰশ্ন-৯) তোমাৰ ঘৰৰ ওচৰৰ সকলোকে চিনি পোৱা নে ?

উত্তৰ– কিছুমানক হে পাওঁ সকলোকে নাপাওঁ ।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে ছোৱালীজনীৰ সমাজৰ লগত সুস্থ সমাযোজন ঘটা নাই ।

প্ৰশ্ন-১০)- তুমি খেলি ভাল পোৱা নে টিভি চাই ভাল পোৱা ?

উত্তৰ– টি.ভি চাই ভাল পাওঁ ।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে ছোৱালীজনী ক্ৰিয়াত্মক দিশৰ প্ৰতি আগ্ৰহী নহয় আৰু শাৰীৰিক দিশত গুৰুত্ব নিদিয়ে ।

**সাধাৰণ তথ্য : ২**

অংশগ্ৰহণকাৰীৰ নাম : শ্ৰী বিপ্লৱ বৰা ।

পিতৃৰ নাম : শ্ৰী খগেন বৰা ।

CS CamScanner

মাতৃৰ নাম : মালা বৰা।

পিতৃৰ জীৱিকা : শিক্ষক

মাতৃৰ জীৱিকা : গৃহিণী

পিতৃৰ শিক্ষাগত অৰ্হতা -বি.এ পাছ

মাতৃৰ শিক্ষাগত অৰ্হতা -বি.এ পাছ

প্ৰশ্ন-১)তুমি কোন?

উত্তৰ-মোৰ নাম শ্ৰী বিপ্লৱ বৰা।

বিশ্লেষণ –উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে লৰাজনৰ নিজৰ প্ৰতি সঠিক ধাৰণা আছে।

প্ৰশ্ন-২)—তোমাৰ বিদ্যালয়কথনৰ নাম কি?

উত্তৰ–শংকৰদেৱ শিশু বিদ্যা নিকেতন।

বিশ্লেষণ- উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে লৰাজনৰ নিজৰ বিদ্যালয়ৰ বিষয়ে ধাৰণা আছে।

প্ৰশ্ন-৩)—তোমাৰ প্ৰিয় বিষয় কি?

উত্তৰ– মোৰ প্ৰিয় বিষয় গণিত।

বিশ্লেষণ- উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে লৰাজনৰ এক বিশ্লেষণাত্মক মন আছে আৰু লৰাজন তীক্ষ্ণ বুদ্ধিৰ অধিকাৰী।

প্ৰশ্ন-৪ )তুমি ভৱিষ্যতে কি হব বিচৰা ?

উত্তৰ–ইঞ্জিনীয়াৰ।

বিশ্লেষণ- উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে লৰাজন উচ্চাকাংক্ষী।

প্ৰশ্ন-৫ ) তুমি বিদ্যালয়ৰ শিক্ষক- শিক্ষয়িত্ৰীৰ লগত কথা পাতিবলৈ ভয় কৰা নেকি?

উত্তৰ –নকৰোঁ।

বিশ্লেষণ- উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰি যে লৰাজন নিৰ্ভীক আৰু স্পষ্টবাদী।

CamScanner

প্রশ্ন-৬) তোমাৰ প্রিয় খাদ্য কি?

উত্তৰ–পিজ্জা।

বিশ্লেষণ- উক্ত উত্তৰৰ পৰা জানিব পাৰি যে লৰাজন বাহিৰৰ জাংক ফুড ( junk food) ৰ প্রতি আসক্ত।

প্রশ্ন -৭)তোমাৰ প্রিয় ৰঙ কি?

উত্তৰ- বগা।

বিশ্লেষণ- উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰি যে লৰাজনৰ এক ব্যতিক্রমী চিন্তাধাৰা আছে। আৰু লৰাটো শান্তিপ্রিয়।

প্রশ্ন -৮)তুমি সামাজিক অনুষ্ঠানসমূহত অংশগ্রহণ কৰি ভাল পোৱা নে?

উত্তৰ –পাওঁ। মই বিহু পূজা এইবোৰ বৰ ভাল পাওঁ।

বিশ্লেষণ- উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে লৰাজন সামাজিকভাৱে সক্রিয় ।

প্রশ্ন -৯) তোমাৰ ঘৰৰ ওচৰৰ সকলোকে চিনি পোৱা নে ?

উত্তৰ- পাওঁ।

বিশ্লেষণ- উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে লৰাজনৰ সমাজৰ লগত সুস্থ সমযোজন ঘটিছে।

প্রশ্ন -১০) তুমি খেলি ভাল পোৱা নে টিভি চাই ভাল পোৱা?

উত্তৰ- খেলি ভাল পাওঁ। মই সদায় আবেলি লগৰবোৰৰ লগত ক্রিকেট খেলিবলৈ যাওঁ।

বিশ্লেষণ- উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে লৰাজন সংগ প্রিয় আৰু ক্রিয়াত্মক দিশৰ প্রতি আগ্রহী।

**সাধাৰণ তথ্য : ৩**

**অংশগ্রহণকাৰীৰ নাম- অনিল ডেকা**

**পিতৃৰ নাম – বিকাশ ডেকা**

**মাতৃৰ নাম – দীপ্তি ডেকা**

**পিতৃৰ জীৱিকা- দৈনিক**

**মাতৃৰ জীৱিকা – দিন হাজিৰা**

**পিতৃৰ শৈক্ষিক অৰ্হতা – মেট্রিক পাছ**

মাতৃৰ শৈক্ষিক অৰ্হতা- অষ্টম শ্ৰেণীলৈকে

প্ৰশ্ন-১) তুমি কোন?

উত্তৰ- মোৰ নাম অনিল ডেকা।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে লৰাজনৰ আত্ম পৰিচয়ৰ বিষয়ে ধাৰণা আছে।

প্ৰশ্ন-২)তোমাৰ বিদ্যালয়ৰ নাম কি?

উত্তৰ – শেনচোৱা বালক বালিকা বিদ্যালয়।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে লৰাজনৰ নিজৰ বিদ্যালয়ৰ প্ৰতি সঠিক ধাৰণা আছে।

প্ৰশ্ন -৩)তোমাৰ প্ৰিয় বিষয় কি?

উত্তৰ – কলাশিক্ষা।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে লৰাজনৰ এটা সৃষ্টিশীল মন আছে ।

প্ৰশ্ন -৪)তুমি ভৱিষ্যতে কি হব বিচৰা?

উত্তৰ- শিক্ষক।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে লৰাজনৰ শিক্ষকতা বৃত্তিটোৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মান আছে।

প্ৰশ্ন-৫)তুমি বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীৰ লগত কথা পাতিবলৈ ভয় কৰা নেকি?

উত্তৰ- নালাগে।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে লৰাজনৰ বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীৰ লগত সুস্থ সামাজিকিকৰণ কৌশলৰ বিকাশ হৈছে।

প্ৰশ্ন-৬)তোমাৰ প্ৰিয় খাদ্য কি?

উত্তৰ- বুটি ভাজি।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা অনুমান কৰিব পাৰো যে অন্য শিশুৰ তুলনাত তাৰ পছন্দৰ খাদ্য বেলেগ ধৰণৰ

প্ৰশ্ন-৭)তোমাৰ প্ৰিয় ৰং কি?

উত্তৰ- নীলা।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে লৰাজনৰ নতুনৰ সৃজনমূলক বৈশিষ্ট্য পৰিস্ফুট হৈছে।

প্ৰশ্ন-৮)তুমি সামাজিক অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰি ভাল পোৱা নে?

উত্তৰ- পাওঁ।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে লৰাজনৰ সামাজিক আদৰ্শ, ৰীতি নীতি, কাৰ্য কলাপৰ প্ৰতি আগ্ৰহী।

প্ৰশ্ন-৯) তোমাৰ ঘৰৰ ওচৰৰ সকলোকে চিনি পোৱা নে ?

উত্তৰ– পাওঁ।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে লৰাজনে সামাজিকভাৱে সক্ৰিয় সমাযোজন কৰাৰ শিক্ষা লাভ কৰিছে।

প্ৰশ্ন-১০)- তুমি খেলি ভাল পোৱা নে টিভি চাই ভাল পোৱা ?

উত্তৰ–খেলি ভাল পাওঁ।

বিশ্লেষণ – উক্ত উত্তৰৰ পৰা জানিব পাৰো যে লৰাজনৰ খেলাৰ প্ৰতি বেছি আগ্ৰহী, ক্ৰিয়াত্মক দিশৰ প্ৰতি আগ্ৰহী।

## ফলাফল

প্ৰথম সাক্ষাৎকাৰ পৰা দেখা যায় যে পাৰিবাৰিক পৃষ্ঠভূমি অৰ্থনৈতিক আৰু মানসিক ভাবে ভাল, যাৰ বাবে ছোৱালীজনী ব্যক্তিগত, শৈক্ষিক, সামাজিক আদিৰ দৰে সকলো দিশতে মাক-দেউতাকৰ পৰা সমৰ্থন লাভ কৰে। শিশু গৰাকী অতি উচ্চাকাংক্ষী, সেয়েহে তাই ইঞ্জিনিয়াৰ হোৱাৰ লক্ষ্য থিৰাং কৰিছে। এইটো যে শিশু গৰাকীৰ উদ্ভাৱনী মানসিকতাক প্ৰতিফলিত কৰিছে। শিশু গৰাকীৰ নিজৰ পচন্দৰ বিষয়ে এটা অতি স্থিৰ মানসিকতা আৰু সচেতনতা থকা দেখা যায়। সাক্ষাৎকাৰটোৰ পৰা এইটো দেখা যায় যে ছোৱালীজনী সামাজিক ভাৱে নিষ্ক্ৰিয় আৰু অন্তৰ্মুখী স্বভাৱৰ হোৱাৰ লগতে আত্ম বিশ্বাসৰ কিছু অভাৱ দেখা যায়।

দ্বিতীয় সাক্ষাৎকাৰৰ পৰা দেখা যায় যে লৰাজন এটা মধ্যবিত্ত পৰিয়ালৰ। ঘৰখনৰ শৈক্ষিক পৃষ্ঠভূমি সুস্থ হোৱা বাবে শিশুগৰাকী প্ৰতিটো দিশতে মাক – দেউতাকৰ পৰা সমৰ্থন লাভ কৰে। ল' ৰাজন উচ্চাকাংক্ষী, স্থিৰ মানসিকতা আৰু সচেতনতাৰ অধিকাৰী। ব্যক্তিগত, সামাজিক, সাংস্কৃতিক, ক্ৰীয়াত্মক, ক্ৰীড়া আদি সকলো দিশতে ল'ৰাজন অগ্ৰণী হোৱা দেখা যায়। অধ্যয়নটোৰ জৰিয়তে শিশু গৰাকী যে আত্মবিশ্বাসী আৰু বহিৰ্মুখী ব্যক্তিত্বৰ হয় সেয়া জনা যায়।

তৃতীয় সাক্ষাৎকাৰৰ পৰা দেখা যায় যে শিশু গৰাকী বাৰ চুটীয়া শ্ৰেণী পৰিয়ালৰ। পৰৱৰ শৈক্ষিক আৰু অৰ্থনৈতিক দিশত পিতৃমাতা যদিও শিশু গৰাকী শৈক্ষিক দিশত আন আন সাধাৰণ পৰা জোৱালীৰ দলেই শিক্ষা গ্ৰহণ কৰি আছে। অৰ্থনৈতিক ভাৱে পিতৃমাতা সাধে সমাজৰ গাৰ্ড আন বনা জোৱালীৰ পৰা কিছু পৃথক দেখা যায়। ল' বাজৰ উচ্চাকাংক্ষী নহয় কিন্তু কলা দিশত কিছু ধাৰণা থকা দেখা যায়। বিদ্যালয়ৰ পৰিৱেশত সুস্থ সামাজিক সমযোজনৰ লগত বিকাশ সমাজৰ মাজেৰে দেখা যায়। অধ্যয়নটোৰ জৰিয়তে আমি জানিব পাৰো যে ল' বা জন শাৰিৰিক, ক্ৰীড়াশীল দিশৰ প্ৰতি আগ্ৰহী আৰু আত্মবিশ্বাসী হোৱাৰ লগতে বহিৰ্মুখি স্বভাৱৰ।

## আচৰণগত সমস্যা সমূহৰ নিবাময়ৰ বাবে পৰামৰ্শ

শিশুৰ আচৰণগত সমস্যা সমূহ নিবাময়ৰ বাবে প্ৰথমতে শিশুৰ ব্যক্তি পাৰ্থক্যৰ বিষয়ে জনা উচিত। কাৰণ পিতৃ- মাতৃ অথবা ঘৰুৱা পৰিবেশত লাভ কৰা বিভিন্ন ব্যক্তিৰ মানৱীয় সম্পৰ্কৰ পৰা শিশুৱে সমাযোজনৰ বিভিন্ন সমস্যা সমাধান কৰি বিকাশৰ গতিবে আগবাঢ়ি যাবলৈ সক্ষম হয়। এনে প্ৰক্ৰিয়াৰে শিশুৱে পৰিপক্কতা লাভ কৰি স্বাভাৱিক আৰু সুস্থ জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় জ্ঞান অভিজ্ঞতা, দক্ষতা, কলা- কৌশল আহৰণ কৰে।

শিশুৰ সমস্যাজৰিত প্ৰতিটো আচৰনৰ অন্তৰালত মনোদৈহিক, আবেগিক অথবা পৰিৱেশগত কাৰণ নিহিত হৈ থাকে। এই আচৰশসমূহ সংশোধন কৰিব বাবে নিম্নলিখিত ধৰণৰ কিছুমান পৰামৰ্শ আগবঢ়াব পাৰি-

1. পিতৃ মাতৃয়ে ঘৰুৱা পৰিবেশত শিশুক স্বাভাৱিক মৰম স্নেহৰ মাজত ডাঙৰ দীঘল কৰিব লাগে যাতে শিশু সকলে কেতিয়াও দুখ-কষ্ট, নীসংগতাবোধ, আবেগিক পীড়াত ভুগিবলগীয়া নহয় তাৰ বাবে সচেতন হোৱা উচিত।
2. শিশুৰ প্ৰতি সন্মান সূচক আচৰণ প্ৰদৰ্শন কৰিব লাগে, গালি - গালাচ শাৰীৰিক শাস্তি প্ৰদান ইত্যাদিৰ পৰা বিৰত থাকিব লাগে।
3. শিশুৰ দৈহিক প্ৰয়োজন সমূহৰ উপৰত গুৰুত্ব দিয়া উচিত। যেনে খোৱা, পিন্ধা, চাল-চলন আদি।
4. শিশুৰ ঘৰুৱা পৰিবেশ শান্তিপূৰ্ণ আৰু সু- ৰুচিপূৰ্ণ হোৱা উচিত। কাৰণ সংস্কৃতিবানৰ আৰু মাৰ্জিত পৰিবেশতহে এগৰাকী শিশুৰ স্বাভাৱিক বিকাশ অতি সহজ আৰু শৃংখলাবদ্ধ হোৱা দেখা যায়।
5. শিক্ষানুষ্ঠানৰ পৰিবেশ মনোবিজ্ঞানসন্মতহোৱা উচিত। কাৰণ শিক্ষানুষ্ঠানৰ পৰিৱেশে শিশুক আৱেগিক নিৰাপত্তা প্ৰদান কৰে।
6. শিশুৱে বসবাস কৰা সমাজ জীৱন শৃংখলাবদ্ধ হোৱা উচিত। কাৰণ সমাজৰ প্ৰতিজন সচেতন ব্যক্তিয়েহে শিশুক অপৰাধমূলকক কাৰ্য্যৰ পৰা বিৰত ৰাখিব পাৰে।

CamScanner

গতিকে শিশুসকলৰ আচৰণগত সমস্যাৰ নিবাময়ৰ ক্ষেত্ৰত পিতৃ- মাতৃ তথা অভিভাৱকৰ উপৰিও শিক্ষা অনুষ্ঠানৰ পৰিবেশ , সমাজৰ প্ৰতিজন সচেতন ব্যক্তিয়ে যথেষ্ট প্ৰভাৱ পেলোৱাৰ লগতে গুৰুত্ব পূৰ্ণ অংশগ্ৰহণ কৰে। সেয়েহে সকলোৱে এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা উচিত।

## সামৰণি

সামৰণিত ক'ব পাৰি যে এটি শিশুৰ স্বাভাৱিক বিকাশ প্ৰক্ৰিয়াত সুস্থ ভাবে আগবঢ়াই নিবলৈ তাৰ ব্যক্তিৰ সুস্থ বিকাশ তথা আচৰণৰ ভিন্নতা , বৈশিষ্ট , সমস্যা আদি উপযুক্ত ভাবে উপলব্ধি কৰাটো আমাৰ সকলোৰে কৰ্তব্য। সমস্যাজনিত শিশুসকলৰ মনোদৈহিক তথা অৰ্থ সামাজিক প্ৰয়োজন উপযুক্ত ভাবে পূৰণ কৰি প্ৰতিজন শিশুকে উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ বাবে অভিভাৱক , শিক্ষক , সমাজৰ প্ৰতিজন ব্যক্তি সচেতন আৰু সতৰ্ক হোৱা উচিত।

আত্ম পৰিচয়ে শিশুসকলৰ আত্ম বিশ্বাস বৃদ্ধি কৰাত সহায় কৰে। আত্ম পৰিচয় কেতিয়াবা ধনাত্মক বা ঋণাত্মক হব পাৰে। ধনাত্মক আত্ম পৰিচয়ে শিশুসকলৰ এক ভাল ব্যক্তিত্ব সৃষ্টি কৰাত সহায় কৰে , আনহাতে যদি আত্মপৰিচয় নেতিবাচক অৰ্থৰ হয় , ই তেওঁলোকৰ সৃষ্টিশীলতাৰ , আত্ম বিশ্বাসৰ পথত বাধা দিয়ে , যিয়ে তেওঁলোকৰ সঠিক মানসিক বিকাশৰ সমস্যাৰ সৃষ্টি কৰে। অভিভাৱক , সহকৰ্মী গোট (peers group) আৰু লগতে শিক্ষক সকলৰ অৱদানে শিশুসকলৰ আত্মধাৰণাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে।

CS CamScanner

## পৰিশিষ্ট(APPENDIX)

প্ৰশ্ন-১) তুমি কোন?

প্ৰশ্ন-২)তোমাৰ বিদ্যালয়ৰ নাম কি?

প্ৰশ্ন -৩)তোমাৰ প্ৰিয় বিষয় কি?

প্ৰশ্ন -৪)তুমি ভৱিষ্যতে কি হব বিচৰা?

প্ৰশ্ন-৫)তুমি বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীৰ লগত কথা পাতিবলৈ ভয় কৰা নেকি?

প্ৰশ্ন-৬)তোমাৰ প্ৰিয় খাদ্য কি?

প্ৰশ্ন-৭)তোমাৰ প্ৰিয় ৰং কি?

প্ৰশ্ন-৮)তুমি সামাজিক অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰি ভাল পোৱা নে?

প্ৰশ্ন-৯) তোমাৰ ঘৰৰ ওচৰৰ সকলোকে চিনি পোৱা নে ?

প্ৰশ্ন-১০)- তুমি খেলি ভাল পোৱা নে টিভি চাই ভাল পোৱা ?

CamScanner

## সহায়ক গ্ৰন্থৰাজী

শৰ্মা, ডেকা, মিশ্ৰ, চক্ৰৱৰ্তী. শিশু মনোবিজ্ঞান, পানবজাৰ, গুৱাহাটী ১.

ড°,শইকীয়া, মুকুল. ক্ৰিয়াত্মক গৱেষণাৰ পৰিচয়, মণি মাণিক প্ৰকাশ, গুৱাহাটী ৭৮১০০১.

HTTPS://www.meser.org/journal/index